ৰূপকোঁৱৰৰ কবিতা- গীত সংগ্রহ-(ডঁ বিকাশ কুমাৰ দাস)শৈশবৰ আবৃতি

অসমীয়া ডেকাৰ প্রতি উক্তি

ময়ে অসমৰ
 ময়ে ভাৰতৰ,
      ময়ে ডেকা লৰা অগ্নিময় ।
ময়ে ভাৰতৰ নবীন সূর্য্য
পূর্বাচলত বজন্তি তুর্য্য ।
    ময়ে অসমীয়া
       প্রাগজ্যোতিষৰ,
         ময়ে অসমীয়া শোণিতপুৰৰ,
           নবীন যুগৰ
             কুমাৰ ভাস্কৰ মই ।
ময়ে অসমীয়া শৰাইঘাটৰ,
   চোকা তৰোৱাল লওঁ লাচিতৰ,
মোমাই তামূলীগড়
দুর্জয় অগ্নিগড় ময়েই
    নাই মোৰ সমসৰ ।
ময়েই খাচিয়া
ময়েই জয়ন্তীয়া
       ডফলা- আৰৰ- অঁকা ,
ময়ে চিংফৌ
ভৈয়ামৰ মিৰি
       সোৱণশিৰীয়া ডেকা ,
বিজয়ী আহোম-কচাৰী-কোঁচৰ
       মেছৰ কুমাৰ মই
       ৰাজবংশী ৰাভা
কপালত জ্বলে শতশত গৌৰৱ আভা ।

pdfMachine - is a pdf writer that produces quality PDF files with ease!
Produce quality PDF files in seconds and preserve the integrity of your original documents. Compatible across nearly all Windows platforms, simply open the document you want to convert, click “print”, select the “Broadgun pdfMachine printer” and that’s it! Get yours now for only US$49!
www.pdfMachine.com

মই- - - - -

লালুং- চুতীয়া
লুচাই- মিকিৰ- গাৰো
মিছিমি- খামতি
নগা আঙ্গামী বীৰ
পর্বতে পাহাৰে
জ্বলিছে উচ্ছ শিৰ ।

সাম্য মৈত্রীৰ ময়েই বনুৱা
ন –অসমীয়া মৈমনশিঙীয়া
থলুৱা নেপালী
নৃত্য –কুশলী মনিপুৰীয়া মই ।

মই-------

কত পর্ব্বতৰ
কত ভৈয়ামৰ
শত নিজৰাৰ ধাৰ ,
হিলদল ভাঙি
ৰৈ আহি আহি
বৰ লুইতত
হৈ যাওঁ একাকাৰ----------।।।।।।।।

(----ক্রমশ:)

pdfMachine - is a pdf writer that produces quality PDF files with ease!
Produce quality PDF files in seconds and preserve the integrity of your original documents. Compatible across nearly all Windows platforms, simply open the document you want to convert, click “print”, select the “Broadgun pdfMachine printer” and that’s it! Get yours now for only US$49!
www.pdfMachine.com